**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
HEADLINE

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰপতি ভৱনত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰিব।

২। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুমোদন জনাইছে।

৩। দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ বাবে আৰু মাত্ৰ এটা দিন বাকী থকা অৱস্থাত বিভিন্ন দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই আজি মনোনয়ন পত্ৰ দাখিল কৰিছে।

৪। ভাৰত আৰু শ্ৰীলংকাই দ্বীপ ৰাষ্ট্ৰখনৰ বাগিচা অঞ্চলসমূহত ৬০টা স্মাৰ্ট শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে আজি এখন চুক্তি স্বাক্ষৰ কৰিছে।

*আৰু*

৫। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়ান্তোই এই বছৰৰ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰিব। বিশ্ব দবা চেম্পিয়ন দি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাকেৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰা অলিম্পিকত স্বৰ্ণজয়ী প্ৰবীন কুমাৰক মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হ'ব। ক্ৰীড়াৰ ক্ষেত্ৰত বিগত ৪ বছৰত আগবঢ়োৱা অনন্য প্ৰদৰ্শনৰ বাবে ক্ৰীড়াবিদসকলক এই বঁটা প্ৰদান কৰা হ'ব। একেদৰে ৩২ গৰাকী ক্ৰীড়াবিদক অৰ্জুন বঁটা প্ৰদান কৰা হ'ব। অৰ্জুন বঁটা লাভ কৰা খেলুৱৈসকল হৈছে- এথলিট জ্যোতি য়াৰাজি আৰু অন্নু ৰাণী, বক্সাৰ নীতু আৰু ছৱিটী, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক, সঞ্জয়, জৰ্মনপ্ৰীত সিং আৰু সুখজিৎ সিং, পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলিট প্ৰীতি পল, জীৱানজী দিপ্তী, অজিৎ সিং আৰু শচীন খিলাড়ী। প্ৰবীন এথলিট ছুচা সিং আৰু প্ৰবীন পেৰা সাতোঁৰবিদ মুৰলীকান্ত পেটকাৰক জীৱনজোৰা সাধনাৰ বাবে অৰ্জুন বঁটাৰে সন্মানিক কৰা হ'ব। একেদৰে পেৰা শ্বুটিঙৰ প্ৰশিক্ষক সুভাষ ৰানা, শ্বুটিং প্ৰশিক্ষক দীপালি দেশপাণ্ডে, হকীৰ প্ৰশিক্ষক সনদীপ চঙৱান, বেডমিণ্টন প্ৰশিক্ষক এছ মুৰুলীধৰণ আৰু ফুটবল প্ৰশিক্ষক আৰমাণ্ডো এগনেলো ক'লাকোক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হ'ব।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগী সকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুমোদন জনাইছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয়

মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত আজি এই বিষয়ে কোনো আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্মচাৰী সংগঠনসমূহৰ অনুৰোধৰ পৰিপ্ৰেক্ষিতত অষ্টম দৰমহা আয়োগ গঠনত সন্মতি প্ৰদান কৰিছে।

উল্লেখযোগ্য যে সপ্তম দৰমহা আয়োগৰ কাৰ্যকাল অহা বছৰ উকলি যাব। সেয়েহে অহা বছৰৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অষ্টম দৰমহা আয়োগৰ গঠনৰ প্ৰয়োজন হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে এই আয়োগৰ অধ্যক্ষ আৰু দুগৰাকী সদস্যক শীঘ্ৰেই নিযুক্তি দিয়া হ'ব।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ বাবে আৰু মাত্ৰ এটা দিন বাকী থকা অৱস্থাত আজি আম আদমী পাৰ্টী, বিজেপি আৰু কংগ্ৰেছৰ কেইবাগৰাকী গুৰুত্বপূৰ্ণ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা মনীষ ছিছোদিয়া, সৌৰভ ভৰদ্বাজ আৰু গোপাল ৰাজৰ লগতে বিজেপিৰ নেতা হৰিষ খুৰানা, মনজিন্দৰ সিং ছিৰছা, আশীষ সুদ আৰু কপিল মিশ্ৰাই নিজ নিজ বিধানসভা সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে কংগ্ৰেছ প্ৰাৰ্থী সনদ্বীপ দিক্ষীত আৰু আৰিবা খানেও আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ পূৰ্বে বহু কেইগৰাকী প্ৰাৰ্থীয়ে ধৰ্মীয় স্থানলৈ গৈ ভগৱানৰ আশীষ লোৱাৰ লগতে ৰোড শ্ব'ত ভাগ লয়। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় ৰাজধানীখনত তিনিওটা গুৰুত্বপূৰ্ণ দলে তাৰকা প্ৰচাৰকসকলক লৈ প্ৰচাৰ অভিযানত নামি পৰিছে। আপৰ জ্যেষ্ঠ নেতা তথা পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱান্ত মানে আজি ছিলমপুৰ আৰু ঘোন্দা অঞ্চলত দুটাকৈ ৰোড শ্ব'ত ভাগ লয়। বিজেপিৰ অৰ্জুন ৰাম মেঘৱাল, ভাগীৰথ চৌধৰী, অনুৰাগ সিং ঠাকুৰ, মনোজ তিৱাৰী আৰু ৰবি কিষাণকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ নেতাই বিভিন্ন সমষ্টিৰ মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলক সংগ দিয়ে। একেদৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে নতুন দিল্লীত সংবাদ মেলৰ আয়োজন কৰি কংগ্ৰেছ দল পুনৰ শাসনলৈ আহিলে ৫০০ টকাত গেছ চিলিণ্ডাৰ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

বিজেপিয়ে আজি দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে ৯ গৰাকী প্ৰাৰ্থীৰ চতুৰ্থখন তালিকা প্ৰকাশ কৰিছে। দলে দিল্লী কেণ্টনমেণ্ট আসনৰ পৰা ভূৱন টানৱাৰক প্ৰাৰ্থীত্ব দিছে। অনিল ৱশিষ্ঠক বাবৰপুৰ আসনৰ পৰা আৰু শিখা ৰায়ক গ্ৰেটাৰ কৈলাশ আসনৰ পৰা দলীয় প্ৰাৰ্থীত্ব দিয়া হৈছে।

কংগ্ৰেছ দলেও আজি ইয়াৰ ৪ৰ্থখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলটোৰ উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত আছে বাৱানা আসনত সুৰেন্দৰ কুমাৰ, কৰোলবাগ আসনত ৰাহুল ধানাক আৰু ৰোহিনীৰ আসনত সুমেশ গুপ্তা।

৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। কাইলৈ হৈছে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

০০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আন্তঃৰাষ্ট্ৰীয় কৰ্মশক্তিৰ বিকাশৰ ক্ষেত্ৰত ভাৰতৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰিছে। এই ক্ষেত্ৰত তেওঁ দক্ষতা আৰু মানৰ উমৈহতীয়া স্বীকৃতিৰ দৰে পদক্ষেপ গ্ৰহণৰ পোষকতা কৰে। নিয়োগৰ ভৱিষ্যৎ সন্দৰ্ভত নতুন দিল্লীত আজি আয়োজিত এখন সন্মিলনত ভাষণ প্ৰসংগত তেওঁ প্ৰমাণপত্ৰতকৈ অধিক দক্ষতাক গুৰুত্ব দিয়াৰ হকে মত প্ৰকাশ কৰে। তেওঁ স্ব-নিয়োজন খণ্ড তথা উদ্যোগ ক্ষেত্ৰৰ

চাহিদা পূৰণ কৰাৰ উদ্দেশ্যে ব্যৱহাৰিক নিপুণতাৰে প্ৰাৰ্থীসকলক যোগ্য কৰি তোলাৰ পোষকতা কৰে। উদ্যোগ আৰু শৈক্ষিক খণ্ডৰ মাজত শক্তিশালী যোগাযোগৰ জৰিয়তে দেশৰ ব্যতিক্ৰমী প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে বিশেষ দক্ষতাৰ আৰ্হি সৃষ্টি কৰিব পাৰি বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

ভাৰত আৰু শ্ৰীলংকাই দ্বীপ ৰাষ্ট্ৰখনৰ বাগিচা অঞ্চলসমূহত ৬০টা স্মাৰ্ট শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে এখন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তি অনুসৰি শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে ভাৰত চৰকাৰে দ্বীপ ৰাষ্ট্ৰখনত পাঁচ হাজাৰ ৮০ লাখ শ্ৰীলংকাৰ মুদ্ৰা প্ৰদান কৰিব। ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝা আৰু শ্ৰীলংকাৰ বাগিচা মন্ত্ৰ্যালয়ৰ সচিব ভি কে প্ৰভাত চন্দ্ৰকীৰ্তিয়ে দেশ দুখনৰ হৈ এই চুক্তিত স্বাক্ষৰ কৰে। এই পদক্ষেপৰ জৰিয়তে নুৰাৱা এলিয়া অঞ্চলৰ ৪৮ খন আৰু কান্দি তথা বদুল্লা অঞ্চলৰ ৬ খনকৈ বিদ্যালয় উপকৃত হ'ব। শ্ৰেণীকোঠাসমূহ প্ৰযুক্তিৰ ব্যৱহাৰেৰে উন্নীত কৰি শিক্ষাৰ্থীসকলৰ শৈক্ষিক পৰিৱেশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই চুক্তি স্বাক্ষৰ কৰা হৈছে। উল্লেখযোগ্য যে শ্ৰীলংকাৰ উন্নয়নৰ যাত্ৰাত ভাৰতে গুৰুত্বপূৰ্ণ বৰঙণি যোগাই আহিছে। ভাৰতে দ্বীপ ৰাষ্ট্ৰখনৰ শৈক্ষিক খণ্ডলৈ ইতিমধ্যে ৫০০ কোটি আমেৰিকান ডলাৰৰ বিত্তীয় সাহায্য প্ৰদান কৰিছে। ভাৰতে ইয়াৰ পূৰ্বেও বিদ্যালয়সমূহ পুনৰনিৰ্মাণ, কম্পিউটাৰ কক্ষ স্থাপন তথা শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে দ্বীপ ৰাষ্ট্ৰখনক আৰ্থিক সাহায্য প্ৰদান কৰিছে। অলপতে শ্ৰীলংকাৰ বাগিচা অঞ্চলৰ বিদ্যালয়সমূহৰ দুহেজাৰতকৈও অধিক শিক্ষকক বিজ্ঞান, প্ৰযুক্তিবিদ্যা, অভিযান্ত্ৰিক আৰু গণিতৰ প্ৰশিক্ষণ দিয়া হয়। এই প্ৰচেষ্টাৰ জৰিয়তে দ্বীপ ৰাষ্ট্ৰখনত শিক্ষা আৰু সৱলীকৰণ ত্বৰান্বিত কৰাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে।

০০০০০

ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়ান্তোই এই বছৰৰ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে ৰাষ্ট্ৰপতিগৰাকীয়ে অহা ২৫ আৰু ২৬ জানুৱাৰীত ভাৰত ভ্ৰমণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি যোৱা বছৰৰ অক্টোবৰত ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত শ্ৰী ছুবিয়ান্তোই প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণলৈ আহিব। এই ভ্ৰমণে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় আলোচনাৰ সুযোগ প্ৰদান কৰিব। উল্লেখযোগ্য যে  ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। কৌশলগত অংশীদাৰ হিচাপে ভাৰতৰ এক্ট ইষ্ট পলিচি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত ইণ্ডোনেছিয়াই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, যে জনসাধাৰণৰ বাবে পথ সুৰক্ষা সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধ পৰিকৰ। INDIAN ROADS@ 2030 : THE SAFE SPACE শীৰ্ষক পথ সুৰক্ষা বিষয়ক দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ প্ৰায় ৬৬ শতাংশই হৈছে ১৮ৰ পৰা ৪৫ বছৰ বয়সৰ ভিতৰৰ। চৰকাৰে বাহনৰ পাছৰ আসনত বহা লোকেও ছিটবেল্ট ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰাৰ কথা দোহাৰি শ্ৰী গাডকাৰীয়ে  ইলেকট্ৰনিক ব্ৰেকিং ছিষ্টেমৰ দৰে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে পথ সুৰক্ষাৰ ক্ষেত্ৰত

প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত হ'ব পৰা পৰিস্থিতি তথা পথ সুৰক্ষা নিশ্চিত কৰণৰ যাৱতীয় ব্যৱস্থা সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিভাগীয় বিষয়াসকলক আহ্বান জনায়।

০০০০০

জম্মু-কাশ্মীৰৰ ৰাজৌৰি জিলাৰ বুধল তেহছিলৰ বাধাল গাঁৱত পুৰা ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত আছে। অঞ্চলটোত শেহতীয়াকৈ হোৱা ১৫ গৰাকী লোকৰ ৰহস্যজনক মৃত্যুৰ তদন্ত কৰাৰ বাবে আৰক্ষীয়ে ১১ গৰাকী সদস্যৰে গঠিত এটা বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰিছে। উল্লেখযোগ্য যে অঞ্চলটোত যোৱা মাহত ১১টি শিশুকে ধৰি তিনিটা পৰিয়ালৰ ১৫ গৰাকী লোকৰ ৰহস্যজনক মৃত্যু ঘটে। এই স্পৰ্শকাতৰ ঘটনাটোৰ অনুসন্ধান চলোৱাৰ বাবে বুধলৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত বিশেষ গোটটো গঠন কৰা গৈছে। অনুসন্ধানকাৰী গোটটোক প্ৰতি সপ্তাহে তদন্তৰ অগ্ৰগতিৰ সন্দৰ্ভত জিলা আৰক্ষী কাৰ্যালয়ক অৱগত কৰিবলৈ কোৱা হৈছে। ঘটনাৰ প্ৰাথমিক তদন্তত প্ৰকাশ পোৱা অনুসৰি মৃতকৰ দেহত নিউৰো টকছিনৰ অৱস্থিতি ধৰা পৰিছে।

০০০০০

ভাৰতৰ পি ভি সিন্ধু আৰু কিৰন জৰ্জে ইণ্ডিয়া অ'পেন বি ডব্লিউ এফ ৱাৰ্ল্ড টুৰ ছুপাৰ ছেভেন ফিফটি বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ ডাবলছত ছিৰাগ ছেট্টী আৰু সত্বিকছাইৰাজ ৰনকিৰেড্ডীৰ যুটীয়ে  প্ৰথম ছেটত পৰাস্ত হোৱাৰ পাছতো সফল প্ৰত্যাৱৰ্তন কৰি অন্তিম ৮'ত স্থান নিশ্চিত কৰিছে।

০০০০০

সমাপ্ত